জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১০১/২০১৯

আমগুৰিত ৭০ মেগাৱাটশক্তি সম্পন্ন সৌৰ পাৰ্কৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্রীয়ে

বৈষম্যক প্ৰশ্ৰয় নিদি সম দৃষ্টিৰে ৰাজ্যবাসীৰ সম-উন্নয়নৰ বাবে চৰকাৰে কাম কৰিছে ঃ মুখ্যমন্ত্রী

দিছপুৰ, ২৭ ফেব্রুৱাৰীঃ ৰাজ্যখনৰ শক্তিখণ্ডৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালে আজি শিৱসাগৰ জিলাৰ আমগুৰিৰ জাপিসজীয়া গাঁৱত ৭০ মেগাৱাট শক্তি সম্পন্ন সৌৰশক্তি পাৰ্কৰ আধাৰশিলা স্থাপন কৰে। ৩৪০ একৰ ভূমিত নিৰ্মাণ কৰিবলগীয়া এই পাৰ্কে প্ৰদূষণমুক্ত সৌৰশক্তি যোগান ধৰাৰ উপৰি গৱেষণা আৰু উন্নয়নৰ কেন্দ্ৰ হিচাপেও কাম কৰিব। ২৫ বছৰ নিৰৱচ্ছিন্নভাৱে শক্তি উৎপাদন কৰিবলগীয়া এই প্ৰকল্পৰ মাধমেদি সৌৰ শক্তিৰ ব্যৱহাৰ আৰু উপযোগিতা সম্পৰ্কে জনসাধাৰণৰ মাজত সচেতনতা বিয়পাই তোলাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হ'ব।

'অসম আন্দোলনৰ ফলশ্ৰুতিত স্বাক্ষৰিত হোৱা অসম চুক্তিৰ আধাৰত প্ৰায় তিনি দশক পূৰ্বে আমগুৰিত এটা গেছ ভিত্তিক শক্তি প্ৰকল্প স্থাপনৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হৈছিল। বিভিন্ন কাৰণবশত সেই প্ৰকল্প বাস্তৱায়িত নহ'ল। কিন্তু ৰাইজৰ বহুদিনীয়া এই দাবীৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে প্ৰদূষণমুক্ত সৌৰশক্তি প্ৰকল্প ৰূপায়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। অসমখন শক্তি উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী কৰাৰ বাবে যি লক্ষ্য অসম চৰকাৰে নিৰ্দ্ধাৰণ কৰিছে সেই ক্ষেত্ৰত এই সৌৰ পাৰ্ক এক নতুন সংযোজন। ৰাজ্য চৰকাৰে ২০৩০ চনৰ ভিতৰত ৬৫০০ মেগাৱাট শক্তি উৎপাদনৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে আৰু এই দিশত বহুদূৰ বাট আগুৱাবলৈ বাকী আছে।' আজি সৌৰশক্তি পাৰ্কৰ আধাৰশিলা স্থাপন উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্রী সোণোৱালে কয় যে প্ৰধানমন্ত্রী নৰেন্দ্ৰ মোডীৰ 'সবকা সাথ, সৱকা বিকাশ' নীতিৰে সকলো জাতি-জনগোষ্ঠীকে লগত লৈ সকলোৰে সম-উন্নয়নৰ বাবে অসম চৰকাৰে দায়িত্ব আৰু দায়ৱদ্ধতাৰে ৰাজ্যৰ শাসনভাৰ হাতত লোৱা সময়ৰে পৰা কাম কৰি আহিছে। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৰ্বাংগীন বিকাশৰ জৰিয়তে সম-মৰ্যাদা প্ৰদান কৰিলেহে ৰাষ্ট্ৰ ধৰ্ম পালন কৰা হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে ৰাজ্যখনৰ যুৱ চামৰ ভৱিষ্যৎ উজ্বল কৰাৰ বাবে আৰু ৰাইজক সামাজিক মৰ্যাদা সম্পন্ন জীৱন প্ৰদান কৰাৰ বাবে অসম চৰকাৰে কাম কৰিছে।

কোনো বৈষম্যমূলক নীতি গ্ৰহণ নকৰি অসম চৰকাৰে সকলোৰে প্ৰতি সমদৃষ্টি ৰাখি সম-উন্নয়নৰ বাবে প্ৰয়াস চলাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে ৰাজ্যখন আধুনিক ধ্যান-ধাৰণাৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰে শক্তিশালীভাৱে গঢ়ি তুলিব লাগিব। এই ক্ষেত্ৰত অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক যৌথ প্ৰচেষ্টাৰে এক মহাশক্তি হিচাপে কাম কৰিবলৈ মুখ্যমন্ত্রী সোণোৱালে আহ্বান জনায়। শিক্ষাক অসম চৰকাৰে সৰ্বাধিক প্ৰাধান্য দিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে অৰ্থৰ অভাৱত কোনো ছাত্ৰ-

ছাত্ৰীয়ে যাতে উন্নত মানৰ শিক্ষা লাভৰ পৰা বঞ্চিত নহয় তাৰ বাবে অসম চৰকাৰে বিনামূলীয়াকৈ নামভৰ্ত্তি, পাঠ্যপুথিৰ যোগান, আহাৰ, ইউনিফৰ্ম যোগান ধৰাৰ লগতে দুখীয়া ছাত্ৰ-ছাত্ৰীলৈ জলপানি আগবঢ়াইছে। তদুপৰি, গুণোৎসৱ আয়োজনৰ জৰিয়তে উন্নত মানসম্পন্ন শিক্ষা ব্যৱস্থা ৰাজ্যত গঢ়ি তুলিবলৈ চৰকাৰে কাম কৰিছে বুলি তেখেতে কয়।

মুখ্যমন্ত্রী সোণোৱালে কয় যে চৰকাৰে পুঁজি আৱন্টন দিব পাৰে বা আঁচনি হাতত ল'ব পাৰে কিন্তু তাৰ সফল ৰূপায়ন সম্ভৱ হ'বৰ বাবে জনসাধাৰণৰ সহায়-সহযোগিতা আপৰিহাৰ্য। এই কথা উল্লেখ কৰি মুখ্যমন্ত্রী সোণোৱালে জনসাধাৰণক চৰকাৰী কাম-কাজৰ ওপৰত চোকা নজৰ ৰখাৰ লগতে আঁচনি সমূহৰ সফল ৰূপায়নত সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্রী নৰেন্দ্ৰ মোডীৰ বলিষ্ঠ নেতৃত্বত দেশৰ শাসন ব্যৱস্থাত যুগান্তকাৰী পৰিৱৰ্তন হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে আজি প্ৰশাসন ব্যৱস্থাটোৰ লগতে সমাজৰ সৰ্বস্তৰতে স্বচ্ছতা আহিছে। গণতন্ত্রৰ প্ৰমূল্যবোধ আজি ৰাইজে উপলব্ধি কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে স্বচ্ছ ভাৰত অভিযানৰ সফল ৰূপায়নৰ দৰে বিভিন্ন চৰকাৰী আঁচনিয়ে আজি জনসাধাৰণৰ জীৱন চুই গৈছে। মুখ্যমন্ত্রী সোণোৱালে কয় যে পূৰ্বতে অসমে এখন দলং পাবলৈ হ'লেও আন্দোলন কৰিব লাগিছিল। কিন্তু বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত ৫ খনকৈ দলঙৰ অনুমোদন জনোৱাৰ উপৰি স্থলপথ, জলপথ, আকাশীপথ আৰু ইন্টাৰনেট সেৱাৰ ক্ষেত্ৰত চকুত লগা পৰিৱৰ্তন কঢ়িয়াই আনিছে।

পূৰ্বতে অসমত বিনিয়োগৰ পৰিৱেশ নাছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে অসমৰ দৃশ্যপট এতিয়া সলনি হৈছে। ৰাজ্যখনত বিগত দুবছৰ ন মাহে বিপুল পৰিমাণৰ বিনিয়োগ হোৱাৰ লগতে কেৱল গেছ আৰু খাৰুৱা তৈল খণ্ডতে ৪০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ বাট মুকলি হৈছে। ইয়াৰ ফলত ৰাজ্যত নতুন কৰ্ম সংস্থাপন সৃষ্টি হ'ব, কৌশলী মানৰ সম্পদৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবে অসম চৰকাৰে যুৱক-যুৱতীসকলৰ কৌশল বিকাশত গুৰুত্ব প্ৰদান কৰিছে আৰু ছিংগাপুৰৰ প্ৰতিষ্ঠানৰ সহযোগত কৌশল বিকাশ প্ৰতিষ্ঠান স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলি কয়।

কেন্দ্ৰীয় চৰকাৰৰ এক্ট ইষ্ট পলিচিয়ে দক্ষিণ-পূব এছিয়া আৰু বিবিএন দেশৰ সৈতে যোগাযোগ আৰু যাতায়াত ক্ষেত্ৰখনত উল্লেখযোগ্য অৰিহণা যোগাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে ইতিমধ্যে বাংলাদেশ আৰু ভূটানে গুৱাহাটীত বাণিজ্যিক দূতাবাস মুকলি কৰিছে। মুখ্যমন্ত্রী সোণোৱালে লগতে ঘোষণা কৰে যে বহু দিন ধৰি বন্ধ হৈ থকা গুৱাহাটী-বেংকক বিমান সেৱাৰ উপৰি গুৱাহাটী-ঢাকা বিমান সেৱা অহা মাৰ্চ মাহৰ পৰা আৰম্ভ হ'ব।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, আজান ফকীৰ, চাওলুং চ্যুকাফা, লাচিত বৰফুকন, বীৰ চিলাৰায়কে ধৰি বিভিন্ন মহান মনীষীৰ শৌৰ্য-বীৰ্যৰে উজ্জীৱিত অসমীয়া জাতি কেতিয়াও দুৰ্বল হ'ব নোৱাৰে আৰু এই জাতিক কোনো বিদেশীয়ে কেতিয়াও গ্ৰাস কৰিব নোৱাৰে। এই কথা দৃঢ়তাৰে উল্লেখ কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে অসমীয়া জাতিয়ে নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিবলৈ হ'লে কঠোৰ পৰিশ্ৰম কৰিব লাগিব আৰু সহযোগিতাৰে আগবাঢ়িব লাগিব।

প্ৰেছ বার্তা

অসম চৰকাৰৰ শক্তি বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী তপন কুমাৰ গগৈয়ে অনুষ্ঠানত ভাষণ প্ৰদান কৰি কয় যে গেছৰ অভাৱৰ বাবে বহু প্ৰতিক্ষীত গেছ ভিত্তিক তাপ বিদ্যুৎ প্ৰকল্প আমগুৱিত নিৰ্মাণ কৰাটো সম্ভৱ হৈ উঠা নাই যদিও ৭০ মেগাৱাট ক্ষমতা সম্পন্ন এই সৌৰ পাৰ্কে শক্তিখণ্ডক নিশ্চিতভাৱে শক্তিশালী কৰিব। প্ৰস্তাৱিত নৰ্থ ইষ্ট গেছ গ্ৰীডৰ কাম সম্পূৰ্ণ হ'লে সৌৰ পাৰ্কৰ এলেকাতে নিৰ্দ্ধাৰিত কৰি ৰখা এক বৃহৎ ভূমিত গেছ ভিত্তিক শক্তি প্ৰকল্প নিৰ্মাণৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হ'ব। শক্তিমন্ত্ৰী গৰাকীয়ে সৌভাগ্য আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিটো ঘৰতে বিনামূলীয়া বিদ্যুৎ সংযোগ স্থাপন কৰাৰ কাম সফলভাৱে ৰূপায়ন কৰাৰ লগতে 'আকাশদীপ' আঁচনিৰ অধীনত বিদ্যুৎ ৰাহি কৰাৰ বাবে প্ৰতিঘৰ লোককে ৪ টাকৈ এল ই ডি বাল্বৰ যোগান ধৰা আৰু বিদ্যুৎজনিত দুৰ্ঘটনা ৰোধ কৰাৰ বাবে বিদ্যুৎ তাঁৰ সমূহৰ পৰিৱৰ্তন সাধন কৰি কেবললৈ ৰূপান্তৰ কৰা আৰু সকলো বাঁহৰ খুটা আঁতৰাই পকী খুটা সংস্থাপনৰ বাবে পদক্ষেপ লোৱা হৈছে বুলি কয়।

এপিডিচিএলৰ অধ্যক্ষ বিনোদ কুমাৰ পিপাৰচেনীয়াই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু আমগুৰি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাইও ভাষণ প্ৰদান কৰে। সভাৰ আৰম্ভণিতে এপিডিচিএলৰ পৰিচালন সঞ্চালক কল্যাণী বৰুৱাই সৌৰ শক্তি প্ৰকল্পটোৰ বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে।

এই অনুষ্ঠানত মাহমৰাৰ বিধায়ক যোগেন মহন আৰু থাওৰাৰ বিধায়ক কুশল দুৱৰীৰ লগতে জ্যোতি চিত্ৰবনৰ অধ্যক্ষ পৰিত্ৰ মাৰ্ঘেৰিটা, এপিডিচিএলৰ কেইবাগৰাকীও সঞ্চালক, শিৱসাগৰ জিলাৰ উপায়ুক্ত ডাঃ এছ লক্ষ্মনন প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

বীঃগঃ
২৭/০২/২০১৯